# দিছপুৰ কলেজত শৈক্ষিক, প্ৰশাসনিক হিচাপ বিষয়ক কৰ্মশালা

গুৱাহাটী, ৩১ মাৰ্চ ঃ দিছপুৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ শৈক্ষিক মান নিৰূপণ সমিতিৰ উদ্যোগত মহাবিদ্যালয়ৰ 'শৈক্ষিক আৰু প্ৰশাসনিক হিচাপ' সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ কৰ্মশালা ২৯ মাৰ্চত অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, ৰাজ্যিক নাক মূল্যায়ন সমিতিৰ সদস্য তথা মহাবিদ্যালয় উন্নয়ন পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ড° যোগেন কলিতাই উক্ত কৰ্মশালাত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি নাকৰ মূল্যায়নত কৰণীয় তথা ল'বলগা সাৱধানতাৰ বিষয়ে বিৱৰণ আগবঢ়ায়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি ব[illegible] কৰ্মশালাখনৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰি 'নাক'ৰ মূল্যায়নত সকলোৰে সক্ৰিয় সহযোগ আৰু কৰ্তব্য পালন কৰি একত্ৰিত হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। উপাধ্যক্ষ ড° সুনীতা আগৰৱালাই আঁত ধৰা অনুষ্ঠানত আই কিউ এ চিৰ সমন্বয়ক ড° অজয় মিত্ৰৰ লগতে কৰ্মশালাখনত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকল উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় বাণিজ্য বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক ড° জ্যোতিষ গোস্বামীয়ে। অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাই শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ লগত নাকৰ মূল্যায়নৰ সাতটা দফা কাৰ্যসিদ্ধিৰ বাবে যোগাত্মকভাৱেৰে আগবাঢ়ি যাবলৈ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ বিষয়ে মুখামুখি আলোচনা কৰে।

Pratidin Prea
1-04-22


# Tree plantation prog held

CITY CORRESPONDENT

GUWAHATI, April 4: A tree plantation programme was organised at Farm Gate by the History Department of Dispur College in association with Pegasus Sports and Youth Welfare, Khanapara here today.

Nazneen Ara Rahman, Associate Professor (HoD), History Department and Dr Sashi Mohan Das, general secretary, Pegasus Sports and Youth Welfare led the drive.

The Assam Tribune 5/4/22



# দিছপুৰ মহাবিদ্যালয়ত সজাগতামূলক অনুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২৮ এপ্ৰিল ঃ** দিছপুৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগ আৰু কেৰিয়াৰ কাউন্সেল এণ্ড এৰ্ৱাৰ্নেছ কোষৰ সহযোগত আজি ইনষ্টিটিউট অব্ কোম্পানী ছেক্ৰেটাৰীৰ দ্বাৰা কেৰিয়াৰ কাউন্সেলিং বিষয়ক সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ শতাধিক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানত বাণিজ্য বিভাগৰ অধ্যাপক ড° জ্যোতিষ গোস্বামীয়ে ভাষণ প্ৰসংগত কয়— 'সম্প্ৰতি গোলকীকৰণ তথা প্ৰতিযোগিতামূলক জগতত শৈক্ষিক পৰিবেশৰ উত্তৰণৰ দিশত সজাগতা অনুষ্ঠানৰ জৰিয়তে বিভিন্ন দিশ সাঙুৰি লৈ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত ব্ৰতী হ'ব লাগিব।' আজিৰ এই অনুষ্ঠানত মহাবিদ্যালয়খনত আভ্যন্তৰীণ মূল্যাংকন নিৰূপক কোষৰ সমন্বয়ক ড° অজয় মিত্ৰ, বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপক ক্ৰমে ড° অজয় কুমাৰ ডেকা, ড° কুমুদ চন্দ্ৰ নাথ, ড° সঞ্জীৱ কুমাৰ শৰ্মা, কুলধৰ পাটোৱাৰী, অংকিতা শৰ্মাকে আদি কৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

Asomiya Pratidin 29/4/22